**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 09-02-2026
**Time :** 1845 HRS.

ASSAMESE EVENING BULLETIN

::::::::::::::::::::::::::::::::::::::::::

০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰীক্ষা পে চৰ্চাৰ দ্বিতীয় খণ্ডত ৰাজ্যৰ বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময়।

২। ৰাজ্যৰ চাহ জনগোষ্ঠীৰ লোকসকলক ভূমিপট্টা প্ৰদানৰ বাবে প্ৰস্তাৱিত ভূমি বন্দোবস্তিৰ প্ৰপত্ৰ বিতৰণৰ শুভাৰম্ভ।

৩। ২০২৬-২৭ বৰ্ষৰ বাজেটত ড'নাৰ মন্ত্ৰালয়লৈ আবণ্টন তিনিগুণ বৃদ্ধি হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ প্ৰকাশ।

৪। ২৪ সংখ্যক বড়োলেণ্ড দিৱস উদযাপনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ। কাইলৈ বি টি আৰত স্থানীয় বন্ধ ঘোষণা।

আৰু

৪। টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি কিছু সময় পাছতে আহমেদাবাদত দক্ষিণ আফ্ৰিকা আৰু কানাডাৰ খেল।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজ্যৰ কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰীৰ সৈতে পৰীক্ষা পে চৰ্চাৰ দ্বিতীয় খণ্ডত মত বিনিময় কৰে। শ্ৰী মোদীয়ে ছাত্ৰ-ছাত্ৰীসকলক মানসিক চাপ আৰু উদ্বিগ্নতাৰ পৰা আঁতৰত থাকি পৰীক্ষাৰ প্ৰস্তুতি চলাবলৈ আহ্বান জনায়। এই মত বিনিময় কালত প্ৰধানমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক সৰু-সৰু ষ্টাৰ্টআপৰ জৰিয়তে উদ্যমশীলতাৰ যাত্ৰা আৰম্ভ কৰিবলৈ আহ্বান জনায়।

অধ্যয়ন আৰু নিচাৰ মাজত ভাৰসাম্য বজাই ৰখা সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক কয়, যে তেওঁলোকে বিদ্যায়তনিক পাঠ্যক্ৰম আৰু সৃষ্টিমূলক কাম-কাজ পৃথক বুলি ভবা উচিত নহয়। দুয়োটাই সমানেই গুৰুত্বপূৰ্ণ আৰু দুয়োটা বৰ্তাই ৰখাৰ ক্ষেত্ৰত ভাৰসাম্য ৰক্ষা কৰাটো টান কাম নহয় বুলিও তেওঁ উল্লেখ কৰে। কলাত্মক আৰু সৃষ্টিশীল কাম-কাজ তথা অৱসৰ বিনোদনে ছাত্ৰ-ছাত্ৰীৰ মানসিক চাপ আৰু ক্লান্তি দূৰ কৰি মন সুস্থিৰ কৰি তোলে বুলি তেওঁ কয়। প্ৰধানমন্ত্ৰীয়ে শিক্ষাৰ্থীসকলক তেওঁলোকৰ সামাজিক দায়বদ্ধতাৰ কথা সোঁৰৰাই দি ৰাজহুৱা স্থানসমূহ পৰিষ্কাৰ কৰি ৰখাৰ লগতে যান-বাহনৰ আইন মানি চলিবলৈ আৰু খাদ্যৰ অপ-ব্যৱহাৰ নকৰিবলৈ আহ্বান জনায়। অনুশাসন আৰু নিয়মানুৱৰ্তিতাই ৰাষ্ট্ৰ গঠনত বৃহৎ ভূমিকা পালন কৰে বুলিও তেওঁ মন্তব্য কৰে। ভ'কেল ফ'ৰ লোকেলৰ বিষয়ে উল্লেখ কৰি তেওঁ শিক্ষাৰ্থীসকলক ভাৰতত প্ৰস্তুত কৰা সামগ্ৰী ক্ৰয় কৰি ঘৰুৱা অৰ্থনীতি শক্তিশালী কৰি তুলিবলৈ আহ্বান জনায়। কৃত্ৰিম বুদ্ধিমত্তা আৰু প্ৰযুক্তিৰ ব্যৱহাৰে সংকট সৃষ্টি কৰিব পাৰে নেকি বুলি একাংশ শিক্ষাৰ্থীয়ে সোধা প্ৰশ্নৰ উত্তৰত প্ৰধানমন্ত্ৰীয়ে কয়, যে প্ৰযুক্তিৰ ব্যৱহাৰক লৈ শংকিত আৰু ইয়াৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল হোৱাৰ পৰিৱৰ্তে শিক্ষাৰ্থীসকলে ইয়াৰ সৎ ব্যৱহাৰ কৰি লাভান্বিত হ'বলৈ আহ্বান জনায়। শ্ৰী মোদীয়ে ছাত্ৰ-ছাত্ৰীসকলক যিকোনো অঞ্চল ভ্ৰমণ

কৰিলে সেই অঞ্চলৰ বিষয়ে জ্ঞান আহৰণ কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে ছাত্র-ছাত্রীসকলক নিজৰ বিষয়সমূহ গভীৰভাৱে অধ্যয়ন কৰাৰ লগতে সুস্থ প্ৰতিযোগিতা কৰিবলৈও পৰামৰ্শ দিয়ে।

00000

ৰাজ্যৰ চাহ জনগোষ্ঠীৰ লোকসকলক ভূমিপট্টা প্ৰদানৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ প্ৰথমটো আনুষ্ঠানিক কাৰ্যসূচী মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি চাবুৱাত আৰম্ভ কৰে। দিনজয় চাহ বাগিচাৰ খেল পথাৰত অনুষ্ঠিত এই কাৰ্যসূচীত ড° শৰ্মাই প্ৰস্তাৱিত ভূমি বন্দোৱস্তিৰ প্ৰ-পত্ৰসমূহ বিতৰণ কৰে। এই বন্দোৱস্তি অনুযায়ী শ্ৰমিকৰ আবাসিক এলেকাত বসবাস কৰা চাহ জনগোষ্ঠীৰ শ্ৰমিক পৰিয়ালসমূহক এই প্ৰ-পত্ৰ প্ৰদান কৰা হ'ব। ইয়াৰ জৰিয়তে এই পৰিয়ালসমূহে আধুনিক জৰীপ মানচিত্ৰৰ জৰিয়তে ভূমিৰ অধিকাৰ লাভ কৰিব। ইয়াৰ লগতে গৃহ নিৰ্মাণ আৰু প্ৰয়োজনীয় বেংক ঋণ, শিক্ষা আৰু কল্যাণমূলক আঁচনিসমূহৰ সুবিধাও লাভ কৰিব। এই অধিকাৰ ডিজিটেলী নথিভুক্ত স্থায়ী ভূমি অধিকাৰ হ'ব বুলি ৰাজ্য চৰকাৰে ইতিমধ্যে সদৰি কৰিছে। ৮২৬ খন চাহ বাগিচা সামৰি লোৱা এই পদক্ষেপৰ অন্তৰ্ভুক্ত শ্ৰমিক পৰিয়ালসমূহক সংশ্লিষ্ট ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় অথবা নিৰ্ধাৰিত কেন্দ্ৰৰ পৰা অফলাইন প্ৰ-পত্ৰ সংগ্ৰহ কৰিবলৈ ৰাজ্য চৰকাৰে অনুৰোধ জনাইছে। ৰাজ্য চৰকাৰে শ্ৰমিকসকলক ভূমিৰ অধিকাৰ প্ৰদানৰ ক্ষেত্ৰত যুগান্তকাৰী পদক্ষেপ লৈছে বুলি মুখ্যমন্ত্ৰীয়ে নিজৰ ভাষণত উল্লেখ কৰে।

বাইট

চৰাইদেউ জিলাৰ ডোমৰদলং চাহ বাগিছাত আৰু ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী যোগেন মহনে চাহ শ্ৰমিক পৰিয়ালসমূহক ভূমি বন্দোবস্তিৰ প্ৰপত্ৰ বিতৰণ কৰে। মন্ত্ৰীগৰাকীয়ে চাহ শ্ৰমিকসকলৰ দীৰ্ঘদিনীয়া ভূমি সমস্যা সমাধানৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ দায়বদ্ধতাৰ বিষয়ে উল্লেখ কৰে।

বাইট

মৰাণ চাহ বাগিছাৰ এহেজাৰ ৩৮৭টা পৰিয়ালে ভূমি বন্দোবস্তিৰ প্ৰমাণপত্ৰ লাভ কৰিছে বুলি মন্ত্ৰী বিমল বৰাই প্ৰকাশ কৰিছে। তেওঁ কয় যে চাহ শ্ৰমিকসকলৰ মৰ্যাদা সুৰক্ষা আৰু সৰ্বাংগীন বিকাশ সুনিশ্চিত কৰাৰ বাবে ৰাজ্য চৰকাৰে এই শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিছে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি আজি বঙাইগাঁও জিলাৰ ৫৬৮গৰাকী চাহ শ্ৰমিকক ভূমিপট্টাৰ বন্দোবস্তি প্ৰপত্ৰ প্ৰদান কৰা হয়। গোৱালপাৰা জিলাৰ দুখন চাহ বাগিছাতো আজি চাহ বাগিছাৰ শ্ৰমিক আৰু তেওঁলোকৰ পৰিয়ালৰ বাবে প্ৰস্তাৱিত ভূমি বন্দোবস্তিৰ প্ৰপত্ৰ আনুষ্ঠানিকভাৱে বিতৰণ কৰা হয়। জিলাখনৰ মৈজংগা চাহ বাগিছাৰ শ্ৰমিকসকলৰ বাবে ৰাক্ষসীনি জৱাহৰলাল প্ৰাথমিক বিদ্যালয় প্ৰাঙ্গনত আয়োজিত অনুষ্ঠানত চাহ বাগিছাখনৰ ৫৮টা পৰিয়ালৰ মাজত প্ৰপত্ৰ বিতৰণ কৰা হয়। অনুষ্ঠানত গোৱালপাৰা জিলা পৰিষদৰ অধ্যক্ষ মহন্ত ৰাভা, গোৱালপাৰা পশ্চিম সমজিলাৰ আয়ুক্ত নৱজিৎ পাঠককে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। জিলাখনৰ শিমলিতোলা চাহ বাগিছাত ২৫৬গৰাকী চাহ শ্ৰমিক আৰু শ্ৰমিক পৰিয়ালৰ মাজত প্ৰপত্ৰ বিতৰণ কৰা হয়।

00000

২০২৬-২৭ বৰ্ষৰ বাজেটত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ আন্তঃগাঁথনি আৰু সৰ্বাত্মক উন্নয়নৰ বাবে ২ লাখ কোটি টকাৰ অনুমোদন দিয়া হৈছে। উন্নয়নৰ কেইবাটাও ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি বিভিন্ন শিতানত ধনৰ আবণ্টন দিয়া হৈছে। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ত এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে উত্তৰ পূব উন্নয়ন মন্ত্ৰালয়লৈ আবণ্টন তিনিগুণ বৃদ্ধি

হৈ ছহেজাৰ ৮১২ কোটি টকা হৈছে। ৰেল বাজেট অভিলেখ সংখ্যক ১১ হাজাৰ ৪৮৬ কোটি টকালৈ বৃদ্ধি হৈছে। এই পৰিমাণ পূৰ্বতকৈ পাঁচগুণ অধিক বুলি মন্ত্ৰীগৰাকীয়ে কয়-

বাইট

ooooo

বিটিচিৰ সৰ্বাংগীন উন্নয়নৰ পুনৰ প্ৰতিশ্ৰুতিৰে কাইলৈ ২৪ সংখ্যক বড়োলেণ্ড দিৱস উদযাপন কৰা হ'ব। এই উপলক্ষে কোকৰাঝাৰৰ বডোফা নগৰৰ গ্ৰীণ ফীল্ডত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। অনুষ্ঠানত বিটিচিৰ মুৰববী হাগ্ৰামা মহিলাৰী আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত বৰুৱা উপস্থিত থাকিব। তামুলপুৰ জিলাতো কাইলৈ বি পি এফ দলৰ উদ্যোগত জিলাখনৰ থাইগিৰখাৰীৰ হিৰিন্বা হালামাৰি বাথৌ ফিল্ডত বড়োলেণ্ড দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। এই অনুষ্ঠানত কেইবাটাও জাতি-জনগোষ্ঠীৰ স্‌বকীয় পৰম্পৰা আৰু সংস্কৃতি প্ৰদৰ্শন কৰা হ'ব। এই উপলক্ষে আজিৰে পৰা বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। কাইলৈ বড়োলেণ্ডৰ শ্বহীদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মাৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰা হ'ব। দিনৰ ১১ বজাত হ'বলগীয়া মুকলি সভাত বি টি চিৰ কাৰ্যবাহী সদস্য গণেশ কছাৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকে। দিৱসৰ অংশ হিচাপে বি পি এফে পাঁচটা নিৰ্বাচনী প্ৰতিশ্ৰুতি আনুষ্ঠানিকভাৱে প্ৰদান কৰাৰ লগতে কেইবাখনো আঁচনিৰ অধীনত আৰ্থিক সাহায্য প্ৰদান কৰিব। বড়োলেণ্ড দিৱসৰ পৰিপ্ৰেক্ষিতত কাইলৈ বিটিচিত স্থানীয় বন্ধৰ দিন ঘোষণা কৰা হৈছে। বিটিচিৰ সচিবে জাৰি কৰা নিৰ্দেশ অনুসৰি কাইলৈ বিটিচিৰ সকলোবোৰ চৰকাৰী কাৰ্যালয়ৰ লগতে ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানসমূহ বন্ধ থাকিব।

ooooo

কাইলৈৰ পৰা অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনত কাইলৈৰ পৰা ৰাজ্যৰ এহেজাৰ ৪৬টা পৰীক্ষা কেন্দ্ৰতহাইস্কুল শিক্ষান্ত পৰীক্ষা অনুষ্ঠিত হব। এই পৰীক্ষাত ৪ লাখ ৩৮ হাজাৰ ৫৬৫ গৰাকী পৰিক্ষাৰ্থী অৱতীৰ্ণ হব। এই পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চুড়ান্ত পৰীক্ষাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন জিলা প্ৰশাসনে কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি ৰাজহুৱা অনুষ্ঠানসমূহ মাইক জাতীয় উচ্চ প্ৰাবল্যৰ শব্দৰ যন্ত্ৰ ব্যৱহাৰ নকৰাকৈ আয়োজন কৰি পৰীক্ষাৰ্থীসকলক সহায় কৰিবলৈ ৰাইজক আহ্বান জনোৱা হৈছে।

পৰীক্ষাৰ সময়ত ৰাজহুৱা অনুষ্ঠানত মাইক ব্যৱহাৰ নকৰিবলৈ বজালীতমন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আহ্বান জনাইছে। বজলী জিলাৰ ডুবি মালিপাৰা অঞ্চলৰ ৪০ নং ডুবি বালক প্ৰাথমিক বিদ্যালয়ৰ গৌৰৱময় শতবৰ্ষৰ সমৰণিঅনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মন্ত্ৰী শ্ৰী দাসে এই আহ্বান জনায়। তেওঁ নিজৰ ভাষণত প্ৰাথমিক বিদ্যালয়সমূহৰ গুৰুত্ব সন্দৰ্ভত ভাষণ প্ৰদান কৰাৰ লগতে অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহৰ স্বাৰ্থত অভিভাৱকসকলক তেওঁলোকৰ সন্তানক অঙ্গনবাড়ীত নামভৰ্তি কৰাবলৈ আহ্বান জনায়। তেওঁ কয় যে অসম চৰকাৰৰ অঙ্গনবাড়ী কেন্দ্ৰত নামভৰ্তি কৰোৱা মানে শিক্ষাৰ্থীগৰাকীয়ে আগন্তুক দিনত নিশ্চিত ৰূপত প্ৰাথমিক বিদ্যালয়ত নাম লগাব পাৰিব। যাৰ ফলত প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি হোৱাৰ সম্ভাৱনা অধিক হব।

অসম লোকসেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ ভাৰত ভূষন দেৱ চৌধুৰী , উদযাপন সমিতাৰ সভাপতি চম্পক মালাকৰ, বিদ্যালয়ৰ প্ৰধান শিক্ষক তথা উদযাপন সমিতিৰ সম্পাদক মণ্টু তালুকদাৰ , শ্ৰীৰাম একাডেমিৰ সঞ্চালক ড ০ দুলাল তালুকদাৰ সমন্বিতে কেবাগৰাকী বিশিষ্ট ব্যক্তিয়ে সভাত শৈক্ষিক বিষয়ৰ ওপৰত বক্তব্য প্ৰদান কৰে । ইয়াৰ পূৰ্বে পুৱাৰ ভাগত বিভিন্ন খেল ধেমালি প্ৰতিযোগিতা, মুকলি চিত্ৰাংকন প্ৰতিযোগিতা , ভেকচন প্ৰতিযোগিতা, কবি সন্মিলন আদি অনুষ্ঠিত হয়।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত ডিব্ৰুগড়, শিৱসাগৰ, তিনিচুকীয়া আৰু চৰাইদেউ জিলাৰ ১০ হাজাৰ ৪০৪গৰাকী যুৱ উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধন বিতৰণ কৰে। মুখ্যমন্ত্ৰীয়ে ডিব্ৰুগড় জিলাৰ টিংখাং বিধানসভা সমষ্টিৰ ঘুটুংছিগা চাৰিআলিত আয়োজিত অনুষ্ঠানত জিলাখনৰ হিতাধিকাৰীসকলক প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰে। অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰীয়ে কয় যে আত্মনিৰ্ভৰ অসম গঢ়াৰ সংকল্পৰে ৰাজ্য চৰকাৰে যুৱ উদ্যমীতাৰ পৰিবেশ গঢ়ি তুলিবলৈ গ্ৰহণ কৰা সংকল্পৰ অধীনত এই কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। এই অভিযানৰ জৰিয়তে সাধাৰণ শাখাত সাহায্যপ্ৰাপ্ত প্ৰতিগৰাকী ব্যক্তিলৈ ২ লাখ টকাকৈ, বৃত্তিগত শাখাত বাছনিপ্ৰাপ্তসকললৈ ৫ লাখ টকাকৈ ৫০ শতাংশ অনুদান আৰু ৫০ শতাংশ নগদবিহীন ঋণ আগবঢ়োৱা হৈছে।

০০০০০

সাংসদ তথা অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে আজি এখন সংবাদ মেল সম্বোধন কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি শ্ৰীগৌৰৱ গগৈক এগৰাকী পাকিস্তানী এজেণ্ট বুলি অভিযোগ কৰাৰ প্ৰত্যুত্তৰত এই সংবাদ মেল আয়োজন কৰি তেওঁ কয় যে অসমৰ ৰাইজৰ স্বাৰ্থত এই বৈঠকৰ প্ৰয়োজন আহি পৰিছে। সংবাদ মেলত মুখ্যমন্ত্ৰীগৰাকীয়ে নিৰ্বাচনৰ পূৰ্বে জনসাধাৰণক বিপথে পৰিচালিত কৰাৰ চেষ্টা কৰিছে বুলি শ্ৰীগগৈয়ে অভিযোগ উত্থাপন কৰে। সাংসদগৰাকীয়ে মুখ্যমন্ত্ৰী পৰিয়ালৰ দখলত থকা ৪ হাজাৰ একৰ ভূমিৰ হিচাপ দিবলৈও দাবী জনায়। উল্লেখযোগ্য যে কালি গুৱাহাটীত আয়োজিত এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড০ শৰ্মাই সাংসদ গগৈ আৰু তেওঁৰ পত্নীৰ পাকিস্তানৰ নাগৰিক আলি তৌকিৰ শ্বেখ নামৰ এজন লোকৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক আছে বুলি অভিযোগ কৰিছিল। সাংসদ গৌৰৱ গগৈ পাকিস্তানৰ সৈতে যোগসূত্ৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী সংবাদ মেলৰ পাছতেই সমগ্ৰ ৰাজ্যত প্ৰতিবাদ পৰিলক্ষিত হৈছে। বিভিন্ন দল-সংগঠনৰ লগতে শাসকীয় বিজেপি দলে প্ৰতিবাদ অব্যাহত ৰাখিছে।

০০০০০

শ্ৰীভূমি জিলাৰ পাথাৰকান্দি সমষ্টিৰ অন্তৰ্গত দোহালিয়া আৰু বাদশ্বাহী সংৰক্ষিত বনাঞ্চলৰ অবৈধভাৱে দখলীকৃত ভূমিত আজি দ্বিতীয় দিনাও প্ৰশাসন আৰু বন বিভাগে শান্তিপূৰ্ণভাৱে উচ্ছেদ অভিযান চলায়। কালিৰে পৰা কৰা এই উচ্ছেদ অভিযানত অবৈধভাৱে বসবাস কৰা লোকসকলৰ গৃহ আৰু প্ৰতিষ্ঠান ভাঙি পেলোৱা হৈছে। সংৰক্ষিত বনাঞ্চলৰ পৰিবেশ আৰু জৈৱ বৈচিত্ৰ্য সুৰক্ষাৰ বাবে চলোৱা এই অভিযান আইন অনুসৰি ভৱিষ্যতেও অব্যাহত ৰখা হ'ব বুলি প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰিছে। আমাৰ সংবাদদাতাই জনোৱা মতে বনাঞ্চলৰ প্ৰায় এহেজাৰ বিঘা ভূমি দখলমুক্ত কৰাৰ লক্ষ্যৰে এই অভিযান চলোৱা হৈছে। অঞ্চলটোত বসবাস কৰা ৯৯৫ টা পৰিয়াললৈ ইতিপূৰ্বে জাননী জাৰি কৰা হৈছিল। জাননী লাভ কৰাৰ পাছতে অধিকাংশ লোকে

স্বেচ্ছাই সেই স্থান পৰিত্যাগ কৰে। বাকী থকা পৰিয়ালসমূহ উচ্ছেদ কৰাৰ বাবে অভিযান চলোৱা হৈছে। তিনি দিনৰ ভিতৰত উচ্ছেদ অভিযান সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে বুলি জিলা প্ৰশাসনে জনাইছে। উচ্ছেদৰ সময়ত যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয় তাৰ বাবে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

ooooo

টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি কিছু সময় পাছতে আহমেদাবাদত হ'বলগীয়া তৃতীয়খন খেলত দক্ষিণ আফ্ৰিকাই কানাডাৰ বিৰুদ্ধে খেলিব। কলম্বোত অনুষ্ঠিত এখন খেলত জিম্বাবুৱেই ওমানক ৮ উইকেটত পৰাজিত কৰে। ওমানে প্ৰথমে বেট ধৰি ১৯ অভাৰ ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১০৩ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত জিম্বাবুৱেই ১৩ অভাৰ তিনিটা বলত দুটা উইকেট হেৰুৱাই বিজয়লক্ষ্য অতিক্ৰম কৰে।

কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত আজিৰ প্ৰথমখন খেলত স্কটলেণ্ডে ইটালীক ৭৩ ৰাণত পৰাজিত কৰে। স্কটলেণ্ডে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত চাৰিটা উইকেট হেৰুৱাই ২০৭ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ইটালীয়ে ১৬ অ'ভাৰ আৰু ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৩৪ ৰানহে কৰিবলৈ সমৰ্থ হয়।

ooooo

ঃঃ সমাপ্ত ঃঃ